# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 10-09 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গ্ৰেটাৰ নয়ডাৰ ছেমিকন ইণ্ডিয়া ২০২৪ সন্মিলন উদ্বোধন কৰিব।

২। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰ আজি দুদিনীয়া ভ্ৰমণসূচীৰে জাৰ্মানীত উপস্থিত হ'ব।

৩। সামগ্ৰী আৰু সেৱা কৰ পৰিষদে কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত বিভিন্ন ঔষধৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ ১২ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ চৰকাৰী ভাষা সম্পৰ্কীয় সংসদীয় সমিতিৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হৈছে। **আৰু**

৫। ভাৰতে কালি পুৰুষৰ এছিয় চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাত জাপানক ৫-১ গলত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গ্ৰেটাৰ নয়ডাৰ ইণ্ডিয়া এক্সপো মাৰ্টত চেমিকন ইণ্ডিয়া ২০২৪ সন্মিলন উদ্বোধন কৰিব। তেওঁ লগতে এই উপলক্ষে অংশগ্ৰহণকাৰীসকলক সম্বোধন কৰিব। "অৰ্ধপৰিবাহী খণ্ডৰ ভৱিষ্যত গঢ় দিয়া" শীৰ্ষক বিষয়বস্তুৰে কাইলৈৰ পৰা ১৩ ছেপ্টেম্বৰলৈ চেমিকন ইণ্ডিয়া ২০২৪ৰ আয়োজন কৰা হৈছে। তিনিদিনীয়া এই সন্মিলনত ভাৰতৰ অৰ্ধপৰিবাহী খণ্ডৰ কৌশল আৰু নীতি প্ৰদৰ্শন কৰা হ'ব। এই কৌশল তথা নীতিসমূহৰ জৰিয়তে দেশক অৰ্ধপৰিবাহী খণ্ডৰ গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। সন্মিলনত বিশ্বৰ অৰ্ধপৰিবাহী উদ্যোগৰ আগশাৰীৰ নেতা, কোম্পানী আৰু বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰিব। সন্মিলনত ১৫০ গৰাকী বক্তাই অৰ্ধপৰিবাহী খণ্ডৰ সৈতে জড়িত বিভিন্ন বিষয়ত বক্তৃতা প্ৰদান কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম সন্মানৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনীত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ইয়াৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ১৫ ছেপ্তেম্বৰ। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা পʼষ্টত ইতিমধ্যে ভালেসংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁ উল্লেখ কৰে যে বিগত দশকত চৰকাৰে নায়কস্বৰূপ তৃণমূল পৰ্যায়ৰ অগণন লোকক পদ্ম সন্মানেৰে বিভূষিত কৰিছে। তেওঁ কয় যে, এই ব্যক্তিসকলৰ জীৱন গাথাই অসংখ্য লোকক অনুপ্ৰাণিত কৰিছে আৰু তেওঁলোকৰ কাম-কাজৰ মাজেৰে সাহস আৰু দৃঢ়তা প্ৰতিফলিত হৈছে। চৰকাৰে এই সন্মানৰ বাছনি প্ৰক্ৰিয়া অধিক স্বচ্ছ আৰু অংশগ্ৰহণমূলক কৰি তোলাৰ উদ্দেশ্যে বিভিন্ন পদ্ম সন্মানৰ বাবে জনসাধাৰণৰ পৰা মনোনয়ন বিচাৰিছে। জনসাধাৰণে awards.gov.in. ৱেবছাইটৰ জৰিয়তে মনোনয়ন দাখিল কৰিব পাৰিব।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজিৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে জাৰ্মানীত উপস্থিত হ'ব। এই ভ্ৰমণকালত তেওঁ জাৰ্মানীৰ বিদেশমন্ত্ৰী তথা অন্যান্য নেতাসকলৰ সৈতে বৈঠকত মিলিত হ'ব। এই বৈঠকৰ উদ্দেশ্য হৈছে দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ বিষয়টো পৰ্যালোচনা কৰা আৰু সহযোগিতা বৃদ্ধিৰ নতুন নতুন ক্ষেত্ৰৰ সন্ধান কৰা। উল্লেখযোগ্য যে জাৰ্মানী হৈছে ভাৰতৰ গুৰুত্বপূৰ্ণ বাণিজ্যিক অংশীদাৰ তথা প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অন্যতম উৎস।

ড০ জয়শংকৰে ইয়াৰ পূৰ্বে কালি পেলেষ্টাইনৰ পৰিস্থিতি সন্দৰ্ভত ভাৰতৰ দৃঢ় স্থিতিৰ কথা উল্লেখ কৰাৰ লগতে দেশখনত অতি সোনকালে যুদ্ধ বিৰতি ঘোষণাৰ বাবে আহ্বান জনায়। গাজাৰ সাম্প্ৰতিক পৰিস্থিতি বৰ্তমান ভাৰতৰ বাবে অতি চিন্তাৰ বিষয় বুলি উল্লেখ কৰি ড০ জয়শংকৰে কয় যে, আমি এফালে সন্ত্ৰাসবাদী কাৰ্যকলাপক গৰিহণা দিওঁ আৰু ইয়াৰ বিপৰীতে নিৰীহ জনসাধাৰণৰ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰো। বিদেশ মন্ত্ৰীগৰাকীয়ে কালি ৰিয়াধত ভাৰত-উপসাগৰীয় সহযোগিতা পৰিষদৰ বিদেশ মন্ত্ৰীসকলৰ প্ৰথমলানি বৈঠকত সহ অধ্যক্ষতা কৰে। এই বৈঠকত অংশগ্ৰহণ কৰাৰ সুযোগতে তেওঁ উপসাগৰীয় সহযোগিতা পৰিষদৰ একাংশ সদস্য ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ড০ জয়শংকৰে কয় যে, ভাৰত হৈছে বিশ্বৰ সৰ্ববৃহৎ আৰু দ্ৰুত বিকশিত বজাৰ। তেওঁ উপসাগৰীয় সহযোগিতা পৰিষদক পাৰস্পৰিক ভৱিষ্যতৰ বাবে বিনিয়োগ কৰাৰ লগতে নিৰন্তৰ প্ৰগতিত সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়।

ত্ৰিদেশীয় ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত ড০ জয়শংকৰে অহা ১২ আৰু ১৩ ছেপ্তেম্বৰত জেনেভা ভ্ৰমণ কৰিব। জেনেভাত তেওঁ আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ মুৰব্বী আৰু প্ৰতিনিধিসকলক সাক্ষাৎ কৰিব। তেওঁ লগতে ছুইজাৰলেণ্ডৰ বিদেশ মন্ত্ৰীকো সাক্ষাৎ কৰিব।

ooooo

সামগ্ৰী আৰু সেৱা কৰ পৰিষদে কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত বিভিন্ন ঔষধৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত পৰিষদৰ ৫৪ সংখ্যক বৈঠকত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে অধ্যক্ষতা কৰা এই বৈঠকত বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰী আৰু বিভিন্ন ৰাজ্যৰ বিত্ত মন্ত্ৰীসকলে অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত শ্ৰীমতী সীতাৰমণে সংবাদ মাধ্যমৰ আগত কয় যে, কৰ্কট ৰোগৰ চিকিৎসা ব্যয় হ্ৰাস কৰাৰ বাবে ইয়াৰ চিকিৎসাত ব্যৱহৃত ঔষধৰ মূল্য হ্ৰাস কৰা হৈছে। একেদৰে নিমখীয়া আৰু একাংশ খাদ্য সামগ্ৰীৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ ১৮ৰ পৰা ১২ শতাংশলৈ হ্ৰাস কৰা হৈছে। বুলিও বিত্ত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে যে, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত তথা আয়কৰ ৰেহাইপ্ৰাপ্ত বিশ্ববিদ্যালয়সমূহৰ গৱেষণাৰ বাবে প্ৰদান কৰা পুঁজিৰ ক্ষেত্ৰত সামগ্ৰী আৰু সেৱা কৰ ৰেহাই দিয়া হৈছে। তেওঁ লগতে সামগ্ৰী আৰু সেৱা কৰ পৰিষদে জীৱন আৰু স্বাস্থ্য বীমাৰ ক্ষেত্ৰত কৰ হ্ৰাস কৰাৰ বাবে বিবেচনা কৰিবলৈ মন্ত্ৰীসকলৰ এটা গোট গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণৰ কথাও জানিবলৈ দিয়ে। মন্ত্ৰীসকলৰ এই গোটে চলিত বৰ্ষৰ অক্টোবৰ মাহৰ শেষলৈ চিকিৎসা স্বাস্থ্য বীমাৰ জি এছ্ টি হ্ৰাস কৰাৰ সন্দৰ্ভত তথ্য দাখিল কৰিব আৰু নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া এখন বৈঠকত এই বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। আনহাতে বাহনৰ

আসনত সামগ্ৰী আৰু সেৱা কৰ ১৮ শতাংশৰ পৰা ২৮ শতাংশলৈ বৃদ্ধি কৰা হৈছে বুলিও বিত্ত মন্ত্ৰী সীতাৰমণে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ চৰকাৰী ভাষা সম্পৰ্কীয় সংসদীয় সমিতিৰ অধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে পুনৰ নিৰ্বাচিত হৈছে। তেওঁ কয় যে চৰকাৰে ২০৪৭ চনৰ ভিতৰত দেশৰ সকলো চৰকাৰী ব্যৱস্থা ভাৰতীয় ভাষাত পৰিচালনা কৰাৰ লক্ষ্যৰে আগবাঢ়িছে। চৰকাৰী ভাষা বিভাগে অষ্টম অনুসূচীৰ সকলো ভাষা কাৰিকৰী ভিত্তিত স্বয়ংক্ৰিয়ভাৱে অনুবাদ কৰিব পৰাচ ফটৱেৰ বিকশাই তোলাৰ কাম অব্যাহত ৰাখিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। নতুন চৰকাৰ গঠনৰ পাছত চৰকাৰী ভাষা সম্পৰ্কীয় সংসদীয় সমিতি পুনৰ গঠনৰ বাবে কালি নতুন দিল্লীত সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈছিল। শ্ৰীশ্বাহে ২০১৯ পৰা ২০২৪ চনৰ কাৰ্যকালচোৱাতো সমিতিৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত ভাৰতীয় চাইবাৰ অপৰাধ সহযোগিতা কেন্দ্ৰৰ প্ৰথম প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই উপলক্ষে শ্ৰী শ্বাহে চাইবাৰ অপৰাধৰ পৰা সুৰক্ষাৰ বাবে কেতবোৰ ব্যৱস্থা মুকলি কৰাৰ লগতে চাইবাৰ প্ৰৱঞ্চনা প্ৰতিৰোধী কেন্দ্ৰ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। অনুষ্ঠানত গৃহমন্ত্ৰীগৰাকীয়ে **সমন্বয়** শীৰ্ষক এটা ৱেব আধাৰিত ম'ডুল মুকলি কৰিব। তেওঁ লগতে চাইবাৰ সুৰক্ষা বৃদ্ধি কৰাৰ বাবে ৰাজ্যৰ কেন্দ্ৰীয়শাসিত অঞ্চল তথা কেন্দ্ৰীয় আৰক্ষী সংস্থা প্ৰশিক্ষিত বিশেষজ্ঞৰ এটা শাখা মুকলি কৰি **চাইবাৰ কমাণ্ডো** কাৰ্যসূচীও উদ্বোধন কৰিব।

০০০০০

কয়লা মন্ত্ৰালয়ৰ উদ্যোগত কালি নতুন দিল্লীত কয়লাৰ সৈতে জড়িত ৰাজহুৱা খণ্ডৰ উদ্যোগ তথা কোম্পানীসমূহৰ সামাজিক দায়বদ্ধতা কাৰ্যকলাপৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰূপায়ণ হৈ থকা চি এছ আৰ পদক্ষেপসমূহৰ অগ্ৰগতিৰ মূল্যায়ন, জনসাধাৰণৰ ওপৰত এইসমূহৰ প্ৰভাৱৰ মূল্যায়ন আৰু চৰকাৰৰ নিৰ্দেশনাৰ সৈতে এইসমূহৰ সামঞ্জস্য বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰা হয়। স্বাস্থ্যসেৱা, শিক্ষা, পৰিৱেশ, দক্ষতা বিকাশ আৰু জীৱিকাৰ দৰে বিভিন্ন খণ্ডত ৰূপায়ণ হৈ থকা প্ৰকল্পসমূহক লৈ বৈঠকত আলোচনা কৰা হয়।

বৈঠকত মন্ত্ৰালয়ে ফলাফল নিশ্চিত কৰাৰ বাবে প্ৰকল্পসমূহ যথাসম্ভৱ শীঘ্ৰে ৰূপায়ণ কৰাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰালয়ে কয়লা খনন কৰা অঞ্চলসমূহৰ স্থানীয় জনগোষ্ঠীসমূহৰ জীৱনৰ সামগ্ৰিক মান উন্নত কৰাত গুৰুত্ব দি আগবাঢ়ি যোৱাৰ প্ৰয়োজনৰ বিষয়ে বৈঠকত উল্লেখ কৰে। মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ৰূপিন্দৰ ব্ৰাৰে বৈঠকত সভাপতিত্ব কৰে।

০০০০০

উত্তৰাখণ্ডত কালি সন্ধিয়া সোণপ্ৰয়াগ-মুংকটীয়া অঞ্চলৰ ভূমিস্খলনপ্ৰৱণ এলেকাত পাহাৰৰ পৰা বাগৰি অহা শিলৰ খুন্দাত এগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন দুগৰাকী লোক আহত হয়। আহত লোক দুগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই ঘটনাক লৈ শোক প্ৰকাশ কৰিছে। তেওঁ কয় যে ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি

বাহিনীৰ দল ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হয়। উদ্ধাৰ অভিযান এতিয়াও চলি আছে আৰু চৰকাৰে সম্ভৱপৰ সকলো সহায় আগবঢ়াইছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

যোৱাবাৰৰ বিজয়ী ভাৰতে কালি চীনৰ হুলুনবুৰত অনুষ্ঠিত পুৰুষৰ এছিয় চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাত জাপানৰ বিৰুদ্ধে ৫-১ গ’লত বিজয় সাব্যস্ত কৰে। ভাৰতৰ হৈ সুখজীত সিঙে খেলৰ দ্বিতীয় আৰু ৬০ মিনিটত গ’ল দিয়াৰ বিপৰীতে অভিষেকে তৃতীয়, সঞ্জয়ে ১৭ আৰু উত্তম সিঙে ৫৪ মিনিটত গ'ল দিয়ে। খেলৰ ৪১ মিনিটত মাটছুমোটো কাজুমাছাৰ জৰিয়তে জাপানে একমাত্ৰ গ’লটো পৰিশোধ কৰিবলৈ সক্ষম হয়।

প্ৰতিযোগিতাৰ চাৰিবাৰৰ চেম্পিয়ন ভাৰতে ইয়াৰ পূৰ্বে প্ৰথমখন খেলত আয়োজক দেশ চীনক ৩-০ গ’লত পৰাস্ত কৰিছিল। হৰমনপ্ৰীত সিঙ নেতৃত্বাধীন ভাৰতীয় দলটো কাইলৈ যোৱাবাৰৰ ৰানাৰ্ছ আপ মালয়েছিয়াৰ মুখামুখি হ'ব।

ৰাউণ্ড ৰবিন পদ্ধতিৰে খেলোৱা প্ৰতিযোগিতাখনৰ শীৰ্ষ চাৰিটা দলে ১৬ ছেপ্টেম্বৰত হ'বলগীয়া ছেমিফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিব। ১৭ ছেপ্টেম্বৰত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত